21.03.2025


নৰ্থ-ইষ্ট নাও

Bina Chowdhury Central Library
Girijananda Chowdhury University
Hatkhowapara, Azara, Ghy-17



# বহনক্ষম উন্নয়নক লৈ দায়বদ্ধ গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ঃ নবীকৰণযোগ্য শক্তিৰ ওপৰত জাৰ্মান বিশেষজ্ঞ ড০ বেকাৰ ফাৰাংগীছৰ বক্তৃতা অনুষ্ঠান সম্পন্ন

by এন ই নাও নিউজ, গুৱাহাটী March 20, 2025 6:26 pm




124 VIEWS
Share on Facebook
Share on Twitter

বিশিষ্ট পদাৰ্থবিজ্ঞানী তথা নবীকৰণযোগ্য শক্তিৰ আন্তৰ্জাতিক বিশেষজ্ঞ ড০ বেকাৰ ফাৰাংগীছে আজি অৰ্থাৎ ২০ মাৰ্চ, ২০২৫ তাৰিখে গুৱাহাটীৰ গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ত "নবীকৰণযোগ্য শক্তি" বিষয়ৰ ওপৰত এক বক্তৃতা প্ৰদান কৰে। ড০ ফাৰাংগীছে বৰ্তমানৰ নবীকৰণযোগ্য শক্তি, প্ৰযুক্তি আৰু ভৱিষ্যতৰ দিশসমূহৰ ওপৰত বিস্তৃতভাৱে বক্তব্য প্ৰদান কৰাৰ লগতে বিশ্ব পৰিৱেশৰ প্ৰতি আহি পৰা প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ বহনক্ষম শক্তি আৰু ইয়াৰ সমাধানৰ গুৰুত্বৰ ওপৰতো আলোকপাত কৰে।

EBC Websto
Books Onlin
EBC Webstore

ড০ ফাৰাংগীছ বৰ্তমান গীচেনৰ মিটেলেচেন ইউনিভাৰ্চিটি অৱ এপ্লাইড চাইন্সেছৰ গৱেষণা সঞ্চালক। ইৰাকত জন্মগ্ৰহণ কৰা ড০ ফাৰাংগীছে ১৯৮৮ চনত জাৰ্মানীলৈ যায়।তেওঁ বিশেষকৈ বিকেন্দ্ৰীকৃত যোগান ব্যৱস্থাত বহনক্ষম শক্তি প্ৰযুক্তিৰ উন্নতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰত তেখেতৰ আন এক উল্লেখযোগ্য অৱদান হৈছে ইৰাকৰ কুৰ্দিস্তানৰ আৰবিল পলিটেকনিক বিশ্ববিদ্যালয়ৰ সৈতে ডি এ ডিৰ পুঁজিৰে চলি থকা এটা প্ৰকল্পত যোগোৱা অৰিহণা। ইয়াৰ লক্ষ্য আছিল অধ্যয়ন কাৰ্যসূচী বিকশিত কৰা আৰু অঞ্চলটোত নবীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ বৃদ্ধিৰ বাবে আধুনিক পাঠদান পদ্ধতি ৰূপায়ণ কৰা। এই প্ৰকল্পই নবীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু সামৰ্থ বিকাশৰ প্ৰতি তেওঁৰ দায়বদ্ধতাক সূচায়।

গিৰিজানন্দ চৌধুৰী বিশ্ব বিদ্যালয়ত অনুষ্ঠিত হোৱা এই বক্তৃতা অনুষ্ঠানত গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ৰ সন্মানীয় আচাৰ্য অধ্যাপক ড০ জয়ন্ত ডেকা, সন্মানীয় উপাচাৰ্য অধ্যাপক ড০ কন্দৰ্প দাস, স্কুল অফ ইঞ্জিনিয়াৰিং এণ্ড টেকন'লজিৰ অধ্যক্ষ অধ্যাপক ৰবাৰ্ট ৰবি, বিশ্ববিদ্যালয়ৰ ডীন অৱ একাডেমী অধ্যাপক ড০ অমৰ শইকীয়াৰ লগতে স্কুল অৱ ইঞ্জিনিয়াৰিং এণ্ড টেকন'লজি আৰু স্কুল অৱ নেচাৰেল ছায়েন্স , বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা , ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে । নবীকৰণযোগ্য শক্তিৰ শেহতীয়া ধাৰা আৰু প্ৰত্যাহ্বানসমূহৰ ওপৰত কৰা এই গুৰুত্বপূৰ্ণ আলোচনা আৰু প্ৰশ্নোত্তৰ শিতানৰ দ্বাৰা উপস্থিত সকলো উপকৃত হয়।